জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৫৫/২০২১**

# টেলিফোনযোগে মুখ্যমন্ত্ৰীৰ পৰা নিমাতীঘাটৰ নাও দুৰ্ঘটনা আৰু উদ্ধাৰ অভিযানৰ সবিশেষ বুজ ল'লে প্ৰধানমন্ত্ৰীয়ে

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰো ফোনযোগে উদ্ধাৰ অভিযানত পূৰ্ণ সহযোগিতাৰ আশ্বাস মুখ্যমন্ত্ৰীক

**দিছপুৰ, ৮ ছেপ্টেম্বৰ ঃ** আজি ব্ৰহ্মপুত্ৰৰ বুকুত মাজুলীৰ কমলাবাৰী আৰু যোৰহাটৰ নিমাতীঘাটমুখী দুখন ফেৰীৰ মাজত সংঘটিত শোকাবহ দুৰ্ঘটনা আৰু উদ্ধাৰ অভিযান সম্পৰ্কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টেলিফোনযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা সবিশেষ বুজ লয়। এই নাও দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে প্ৰধানমন্ত্ৰী মোদীয়ে উদ্ধাৰ অভিযানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও মুখ্যমন্ত্ৰী ড° শৰ্মাক টেলিফোন কৰি নাও দুৰ্ঘটনাৰ বুজ লয় তথা উদ্ধাৰ অভিযানৰ ক্ষেত্ৰত পূৰ্ণ সহযোগিতাৰ আশ্বাস দিয়ে। উদ্ধাৰ অভিযানত এন ডি আৰ এফৰ উপৰি প্ৰয়োজন হ'লে সেনাবাহিনী নিয়োগ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও গৃহমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক কয়।

**বীঃগঃ/০৮-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in